# ভাৰতৰ উচ্চতম ন্যায়ালয়

আবেদনকাৰীঃ

শ্ৰীমতী সন্তোষ কুমাৰী আৰু অন্যান্য

বনাম

উত্তৰদাতা

হাৰিয়ানা চৰকাৰ

বিচাৰৰ তাৰিখঃ ২৮/০৮/১৯৯৬

বিচাৰপীঠঃ

ৰামস্বামী, কে

বিচাৰপীঠ

ৰামস্বামী, কে

ভেঙ্কটাস্বামী কে. (ন্যায়াধীশ)

আইনঃ

শীৰ্ষটোকা

বিচাৰঃ

দেৱানী আবেদন সংখ্যা ১৯৯১ চনৰ ১২০৬-০৯,২২৫৩ আৰু ২২৫৪-৫৫

আদেশ

১৯৭৯ চনৰ ২৫ ছেপ্টেম্বৰত ভূমি অধিগ্ৰহণ আইন, ১৮৯৪ (চমুকৈ 'আইন')ৰ ধাৰা ৪(১)ৰ অধীনত পানীপটৰ পৌৰসভাৰ সীমাৰ ভিতৰত নগৰীকৰণৰ বাবে বিস্তৃত ভূমি অধিগ্ৰহণ কৰাৰ বাবে এক অধিসূচনা জাৰি কৰা হয়। ১৯৮১ চনৰ ৭

এপ্ৰিল তাৰিখে কৰা ঘোষণা অনুসৰি ভূমি অধিগ্ৰহণ বিষয়াজনে প্ৰথম খণ্ডৰ বাবে প্ৰতি একৰত ২৪৯৬০/- টকা আৰু দ্বিতীয় খণ্ডৰ বাবে প্ৰতি একৰত ১৯৯৯২/- টকাৰ হাৰত ক্ষতিপূৰণ নিৰ্ধাৰণ কৰে। প্ৰসংগ অনুসৰি, অতিৰিক্ত জিলা ন্যায়াধীশে ১৯৮৪ চনৰ ২৪ জানুৱাৰী তাৰিখৰ আজ্ঞপ্তিৰ জৰিয়তে ক্ষতিপূৰণৰ পৰিমাণ বৃদ্ধি কৰি প্ৰতি বৰ্গ গজ অনুসৰি ১৮ টকাকৈ নিৰ্ধাৰণ কৰে। দাবীদাৰ আৰু ৰাজ্য চৰকাৰৰ পুনৰ অনুৰোধ অনুসৰি, উচ্চ ন্যায়ালয়ে ক্ষতিপূৰণৰ হাৰ উন্নয়ণৰ বাবদ কোনো ধন কৰ্তন নকৰাকৈ পুনৰ বৃদ্ধি কৰি প্ৰতি বৰ্গ গজত ২১.২৫ টকালৈ বৃদ্ধি কৰে। এই আইনৰ ধাৰা ২৩ ( আই এ )ৰ অধীনত উচ্চ ন্যায়ালয়ে অতিৰিক্ত ৰাশি প্ৰদানত অনুমতি প্ৰদান কৰে। গতিকে এই বিশেষ অনুমতি আবেদন দাখিল কৰা হৈছে।

আবেদনকাৰীসকলৰ হৈ জ্যেষ্ঠ পৰামৰ্শদাতা শ্ৰী চেহগলে যুক্তি প্ৰদৰ্শন কৰে যে জিলা ন্যায়াধীশে উল্লেখ কৰা অধিসূচনাখন ১৯৭৮ চনৰ ১০ অক্টোবৰৰ তৃতীয় অধিগ্ৰহণৰ সৈতে সম্পৰ্কিত, আনহাতে এই গোচৰত অধিগ্ৰহণ ১৯৭৯ চনৰ ২৫ ছেপ্টেম্বৰত সংঘটিত হৈছিল। সেয়েহে বিদ্বান ন্যায়াধীশে পূৰ্বৰ গোচৰত দিয়া অভিযোগৰ পৰিৱৰ্তে বৰ্ধিত হাৰৰ ৰায়হে দিব লাগিছিল। কিন্তু এই যুক্তিত আমি দৃঢ়তাৰ অভাৱ দেখিবলৈ পাইছো। দৰাচলতে, উচ্চ ন্যায়ালয়ৰ অনুমোদন নোপোৱা সৰু এটুকুৰা মাটিৰ ওপৰত ভিত্তি কৰি অতিৰিক্ত জিলা ন্যায়াধীশে ক্ষতিপূৰণ বৃদ্ধি কৰিছিল।

উচ্চ ন্যায়ালয়েও তুলনামূলক মূল্যায়ন কৰি ৰেফাৰেন্স আদালতৰ সন্মুখত দাখিল কৰা প্ৰমাণ বিবেচনা কৰি ক্ষতিপূৰণ নিৰ্ধাৰণ কৰে প্ৰতি বৰ্গ গজত ২১.২৫ টকাকৈ।

এইটো নিৰ্ধাৰিত আইন যে যেতিয়া গৃহ নিৰ্মাণৰ বাবে গজৰ ভিত্তিত ক্ষতিপূৰণ নিৰ্ধাৰণ কৰা হয় আৰু ভূমিৰ বিকাশ ঘটাব লাগে, তেতিয়া উন্নয়ন মাচুলৰ বাবদ এক তৃতীয়াংশ কৰ্তন কৰাৰ নিৰ্দেশনা দিব লাগিব। উচ্চ ন্যায়ালয়ে সেই নীতি গ্ৰহণ কৰা নাই যদিও ৰাজ্য চৰকাৰে আপীল উত্থাপন কৰাও নাই। উচ্চ ন্যায়ালয়ে আইনৰ ধাৰা ২৩ (১-এ) ৰ অধীনত অতিৰিক্ত পৰিমাণৰ ধনও প্ৰদান কৰিছে যিটো আবেদনকাৰীসকলৰ প্ৰাপ্য অধিকাৰ নহয়। গতিকে এনে পৰিস্থিতিত আমি ক্ষতিপূৰণ বৃদ্ধিৰ কোনো যুক্তিযুক্ততা বিচাৰি পোৱা নাই।

গতিকে আপীল খাৰিজ কৰা হ'ল। আৰু পৰিস্থিতিসাপেক্ষে কোনো ব্যয় নিৰ্ধাৰণ কৰা হোৱা নাই।

*অনুবাদঃ দিতিমণি গগৈ*

*স্পেচিয়েল অফিচাৰ*

*অনুবাদ শাখা*

*Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.*

*“স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষে ত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।”*